জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৫২/২০২২

## তেজপুৰৰ ঐতিহ্যমণ্ডিত জ্যোতি ভাৰতী (পকী) দৰ্শন মুখ্যমন্ত্ৰীৰ

## নৱপ্ৰজন্মক জীৱনত এবাৰ হ'লেও 'পকী' দৰ্শন কৰিবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

## ঐতিহ্যমণ্ডিত স্মৃতি সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৬ মে'** ঃ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথমখন নাটক 'শোণিত কুঁৱৰী' মঞ্চস্থৰ এশ বছৰ আৰু মহামানৱ মহাত্মা গান্ধীৰ 'পকী' দৰ্শনৰ এশ বছৰ পূৰ্ণ হোৱাৰ পৱিত্ৰ ক্ষণত আজি মহান শিল্পীৰ স্মৃতিৰে সমৃদ্ধ তথা সাংস্কৃতিক সম্পদ সম্বলিত সংগ্ৰাহালয় আৰু পুথিভঁৰাল- তেজপুৰৰ ঐতিহ্যমণ্ডিত জ্যোতি ভাৰতী (পকী) দৰ্শন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে, ১৮৭৪ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ককাদেউতাক হৰিবিলাস আগৰৱালাই নিৰ্মাণ কৰা 'পকী' হৈছে তেজপুৰৰ প্ৰথম পকী ঘৰ সমূহৰ ভিতৰত এটা আৰু ই আছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৈত্ৰিক গৃহ। আগৰৱালা পৰিয়ালে ১৯৭৭ চনত এই গৃহ আৰু চৌহদ স্মৃতি চিহ্ন হিচাপে সংৰক্ষণৰ বাবে অসম চৰকাৰক হস্তান্তৰ কৰিছিল ।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই 'পকী' চৌহদত উপস্থিত হৈ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰাৰ পাছত জোনাকী যুগৰ স্মৃতি বিজড়িত আপুৰুগীয়া সম্পদ, পুথি আৰু দস্তাবেজ তথা মহামানৱ মহাত্মা গান্ধীয়ে 'পকী' দৰ্শন কৰাৰ সময়ত তেখেতে শোৱা বিচনা, বেলজিয়ামৰ পৰা অনা আইনা আদি এপদ এপদকৈ চকু ফুৰোৱাৰ লগতে গৃহটিৰ আন্তঃগাঁথনি পৰ্যবেক্ষণ কৰে।

ইয়াৰ পাছত তেখেতে তেজপুৰৰ জ্যেষ্ঠ নাগৰিক সকলৰ সৈতে এক অন্তৰংগ আলাপত মিলিত হয়। 'পকী'ৰ সভাগৃহত জ্যোতি ভাৰতীৰ উদ্যোগত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাক বিভিন্ন সামাজিক-সাংস্কৃতিক দল সংগঠন আৰু ব্যক্তি বিশেষে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু নটসূৰ্য ফণী শৰ্মাই অসমীয়া সংস্কৃতিৰ বৰঘৰ নিৰ্মাণ কৰিছিল। এই ঐতিহ্যমণ্ডিত স্মৃতি সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ। তেওঁ প্ৰতিজন নৱপ্ৰজন্মক জীৱনত এবাৰ হ'লেও 'পকী' দৰ্শন কৰিবলৈ আহ্বান জনায়। ভাষণত তেখেতে কয় যে সংগ্ৰাহালয় সঞ্চালকালয়ৰ সৈতে যোগাযোগ কৰি আধুনিক প্ৰযুক্তিৰে এই ঐতিহ্যমণ্ডিত পকীৰ সম্পদসমূহ সংৰক্ষণৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। এই ক্ষেত্ৰত উপায়ুক্তক ৰাইজৰ সৈতে আলোচনা মৰ্মে কি উপায়েৰে ইয়াক উপযুক্তভাৱে সংৰক্ষিত কৰিব পৰা যায় সেই বিষয়ে জনাবলৈ কয়। তেওঁ এই ক্ষেত্ৰত পুঁজিৰ কোনো অভাৱ নহয় বুলি অৱগত কৰে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

অনুষ্ঠানত নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ পল্লৱ লোচন দাস, বিধায়কদ্বয় ক্ৰমে পৃথ্বীৰাজ ৰাভা আৰু কৃষ্ণ কমল তাঁতী, উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা প্ৰমুখ্যে জ্যেষ্ঠ নাগৰিক, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি আৰু স্থানীয় গণ্য-মান্য লোক আদি উপস্থিত থাকে।

এই অনুষ্ঠানতে লক্ষ্য বিজয় কলিতা নামৰ এটি শিশুৱে স্বৰচিত দুখন গ্ৰন্থ মুখ্যমন্ত্ৰীক উপহাৰ দিয়ে।

হেঃশঃ

**২৬/০৫/২০২২**